3 (Sem-1) ASM M 2 (O)

# 2021

( Held in 2022 )

## ASSAMESE

( Major )

Paper : 1.2

( **Prachin Asomiya Kabita** )

( Non-CBCS )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) প্ৰাচীন অসমীয়া ধ্ৰুপদী কবিতাৰ এটি বৈশিষ্ট্য উল্লেখ কৰা।

(খ) চৰ্যাপদৰ ভাষাটোক কি ভাষা বুলি কোৱা হয়?

(গ) অপ্ৰমাদী কবি বুলি কোনগৰাকী কবিক কোৱা হয়?

(ঘ) শংকৰদেৱে ৰচনা কৰা প্ৰথম কাব্যখনৰ নাম কি?

A.D.P. COLLEGE LIBRARY ★ NAGAON : ASSAM ★
Acc.no. 1235
Dt ............

(ঙ) হেমসৰস্বতী কোন যুগৰ কবি ?

(চ) প্ৰাক্-শংকৰী যুগৰ যুদ্ধ-কাব্য প্ৰণেতা শ্ৰেষ্ঠ কবি কোন ?

(ছ) 'নন্দোৎসৱ' কবিতাটি ক'ৰ পৰা তুলি দিয়া হৈছে ?

(জ) 'ঘুনুচা কীৰ্ত্তন'ৰ ৰচক কোন ?

(ঝ) 'পাঁচালী' শব্দটো সংস্কৃতৰ কোনটো শব্দৰ পৰা ওলাইছে ?

(ঞ) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কবিতাটো ক'ৰ পৰা উদ্ধৃত কৰা হৈছে ?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) বৈষ্ণৱ যুগৰ অবৈষ্ণৱ কবি দুগৰাকীৰ নাম লিখা।

(খ) নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থাগাৰৰ পৰা কোনে চৰ্যাপদসমূহ সংগ্ৰহ কৰি আনিছিল আৰু কি নামেৰে প্ৰকাশ কৰিছিল ?

(গ) "দেখা দেখা জানকী হৰিষ কৰি মন।
ফল-মূল যুকুত বিবিধ তৰু বন॥"

এই কাব্যাংশ কোনটো কবিতাৰ পৰা তুলি দিয়া হৈছে ? ইয়াত 'জানকী' কোন ?

D.P. COLLEGE LIBRARY
Acc.no. ........
GAON : ASSAM





(ঘ) "গাবে গীত গীতালে হাতত তাল ধৰি।
আনন্দে দুন্দুভি বাৱে ফুকে শংখ ভেৰি॥"

এই পদফাঁকি কোনে, কি উপলক্ষে ৰচনা কৰিছিল ?

(ঙ) 'কাণখোৱা' পুথিৰ ৰচক কোন ? তেওঁ কোন যুগৰ কবি ?

৩। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) সঅল সমাহিঅ কাহি কৰিঅই।
সুখ-দুখেতে নিচিত মৰিঅই॥

(খ) ৰাজহংসে দেখা সীতা তোমাৰ গমন।
চক্ৰবাক যুগল তোমাৰ দুই স্তন॥

(গ) বান্ধিল উচ্চল খোপা পুষ্পে উৰি কেশ।
আখিত অঞ্জন শিৰে সিন্দুৰ বিশেষ॥

(ঘ) বামন স্বৰূপে দেৱকাৰ্য সাধি
বলিক ছলিবে গৈলো।
দান লওঁ বুলি তিনিপদ ভূমি
ত্ৰৈলোক্য জুৰিয়া লৈলো॥

(ঙ) নাই আদি-অন্ত যাৰ স্বৰূপ আকাৰ।
হেন দেৱ অসুৰ বধিতে অৱতাৰ॥
গোবিন্দেৰ পুত্ৰ যাক বুলি পাঞ্চশৰ।
যাৰ শৰে জগতৰ তনু জৰজৰ॥

৪। তলত দিয়া যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) প্ৰাচীন অসমীয়া (ধ্ৰুপদী) কবিতাৰ বৈশিষ্ট্য সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(খ) 'কাআ তৰুবৰ পঞ্চ বি ডাল' কবিতাটোৰ অন্তৰ্নিহিত ভাবাৰ্থ মুকলিকৈ লিখা।

(গ) মাধৱ কন্দলীৰ 'চিত্ৰকূটৰ চিত্ৰ' কবিতাটিত কবি-কল্পনাৰ অভিব্যক্তি কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

(ঘ) 'নন্দোৎসৱ' কবিতাটিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঙ) সীতাই কি কাৰণে কৃত্ৰিম অযোধ্যাপুৰী সৃষ্টি কৰিছিল? সেই অযোধ্যাপুৰীৰ এটি বৰ্ণনা আগবঢ়োৱা।

(চ) 'চিত্ৰলেখাৰ পট নিৰ্মাণ' কাব্যাংশত কবি পীতাম্বৰৰ বৰ্ণনা-নৈপুণ্য কিদৰে প্ৰকাশিত হৈছে তোমাৰ নিজৰ ভাষাত লিখা।

★★★